# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-11-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::: ::::::: :::::::: ::::::::

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলৰ তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নীতি আয়োগে প্ৰকাশ কৰা মতে দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত আজিৰে পৰা ২৪ নৱেম্বৰলৈ ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ তথা জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। দেশৰ মুঠ ২০ খন ৰাজ্যত আৰম্ভ হোৱা এই অভিযানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ বিচৰা হৈছে। জল ব্যৱস্থাপনা কাৰ্যকলাপত পৰিয়াল তথা সম্প্ৰদায়ৰ ভিতৰত পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰিবলৈ এই অভিযানে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগ কৰিছে।

ডিমা হাছাও জিলাতো আজি জল উৎসৱ অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত তথা জাতিংগা উপত্যকা অভিলাসী উন্নয়ন খণ্ডৰ সহযোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰসমূহত সামূহিক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে মেধাৱী শিক্ষাৰ্থীসকলক বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত আজি কেবিনেট বৈঠকত লোৱা সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, বিদ্যাৰ্থীসকলে উচ্চ শিক্ষা লাভৰ বাবে অতিৰিক্ত বন্ধকী অবিহনে ঋণ লাভ কৰিব পাৰিব। তেওঁ কয় যে, বিত্তীয় অন্তৰায়ে যাতে দেশৰ যুৱ প্ৰজন্মক গুণগত উচ্চ শিক্ষা আহৰণত বাধা প্ৰদান কৰিব নোৱাৰে তাৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

আঁচনি অনুসৰি ৭ লাখ ৫০ হাজাৰ টকাৰ ঋণৰ ক্ষেত্ৰত চৰকাৰে ৭৫ শতাংশ ঋণৰ নিশ্চয়তা প্ৰদান কৰিব। ৮ লাখ টকা পৰ্যন্ত ছাত্ৰ-ছাত্ৰীয়ে মৰেটৰিয়াম আৰু অৰ্থাৎ দেনা স্থগিতৰ কালত ১০ লাখ টকালৈকে ঋণৰ সূদৰ ক্ষেত্ৰত ৩ শতাংশ ৰেহাই লাভ কৰিব। এই আঁচনিৰ জৰিয়তে ৭ লাখ শিক্ষাৰ্থী উপকৃত হ'ব বুলি আশা কৰা হৈছে। আঁচনিখনৰ সুবিধা গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী পোৰ্টেলৰ জৰিয়তে আবেদন কৰিব পৰা যাব।

০০০০

ৰিপাব্লিকান দলৰ নেতা ডোনাল্ড ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচনত বিজয় সুনিশ্চিত কৰিছে। শ্ৰীট্ৰাম্পে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী কমলা হেৰিছৰ বিৰুদ্ধে ব্যাপক অগ্ৰগতি লাভ কৰিছে।

পৰিৱৰ্তিত ঘটনাক্ৰমৰ সংকেত লাভ কৰাৰ পাছত কমলা হেৰিছে হাৰ্ৱাৰ্ড বিশ্ববিদ্যালয়ৰ নিৰ্ধাৰিত ভাষণ বাতিল কৰিছে।

শ্ৰীট্ৰাম্পে জয়ৰ বাবে আৱশ্যকীয় ২৭০ টা ইলেক্‌ট্ৰেল ভোট ইতিমধ্যে অতিক্ৰম কৰিছে। তেওঁ পেঞ্চিলভেনিয়া আৰু জৰ্জিয়াসহ গুৰুত্ব অঞ্চলসমূহত জয় লাভ কৰিছে। এটা গুৰুত্বপূৰ্ণ ঘটনাক্ৰমত ৰিপাব্লিকান দলে অহিঅ' আৰু পশ্চিম ভাৰ্জিনিয়াত জয় লাভেৰে চীনেটত নিয়ন্ত্ৰণ লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয় লাভ কৰাৰ বাবে শ্ৰীট্ৰাম্পক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সৰ্বাত্মক গোলকীয় আৰু কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ বাবে আগ্ৰহী। প্ৰধানমন্ত্ৰীয়ে গোলকীয় শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ প্ৰসাৰ তথা দুয়ো দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে একেলগে কাম কৰিবলৈ শ্ৰীট্ৰাম্পৰ প্ৰতি আহ্বান জনাইছে।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অহা ২৫ নৱেম্বৰত বড়ো চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি গুৱাহাটীৰ প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত অনুষ্ঠানটোৰ উদ্যোক্তা বড়ো চিনে আৰ্টিষ্ট এছ'চিয়েছনে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি বলিউদৰ প্ৰবীন অভিনেত্ৰী পদ্মিনী কোলহাপুৰী এই বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব। তদুপৰি বড়ো আৰু অসমীয়া চলচ্চিত্ৰ জগতৰ কেইবাগৰাকী অভিনেতা অভিনেত্ৰীয়ে এই অনুষ্ঠানত অংশ লব। মুঠ ২০ টা শিতানত বঁটা প্ৰদান কৰিবলগীয়া এই অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ভাষাই পুৰস্কৃত ছুটি ছবিৰ বিজয়ী সকলক বঁচা প্ৰদান কৰা হ'ব। সন্ধিয়াৰ কাৰ্যসূচীত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰিব।

০০০০

তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ সুবিধা প্ৰদানৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে সমূহীয়া সেৱা কেন্দ্ৰ আৰু কম্পিউটাৰ অপাৰেটৰসকলৰ এটা প্ৰশিক্ষণ আজি অনুষ্ঠিত কৰে। এই প্ৰশিক্ষণত অনলাইন আবেদন কৰোতে আবেদনকাৰীয়ে কি কি নথি জমা দিব লাগিব সেই বিষয়ে উল্লেখ কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্তই প্ৰশিক্ষাৰ্থীসকলক সবিশেষ ব্যাখ্যা দাঙি ধৰে।

০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰত চৌদি আৰবত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি এই কথা সদৰি কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নীলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বছৰৰ আই পি এলৰ নীলাম ডুবাইত অনুষ্ঠিত হৈছিল।

এইবাৰ এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈ সহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নীলামৰ বাবে সন্মতি প্ৰকাশ কৰিছে। প্ৰতিটো দলত ৰিটেন কৰা খেলুৱৈ সহ সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক চুক্তিবদ্ধ কৰিব পৰা যাব। নীলামৰ বাবে মুঠ ২০৪টা শ্লট উপলব্ধ হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**